# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰ ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ সন্দৰ্ভত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সদনৰ এই প্ৰস্তাৱ পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হ'ব। আজি অনুষ্ঠিত অধিৱেশনৰ আৰম্ভণিতে প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদ আৰু সাম্প্ৰতিক বান আৰু খহনীয়াত জীৱন হেৰুওৱা লোকসকলৰ লগতে জম্মু-কাশ্মীৰৰ পেহেলগাম আক্ৰমণত মৃত্যু হোৱা লোকসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱা হয়। সদনৰ শূন্যকালত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা আৰু এ আই ইউ ডি এফৰ বিধায়ক আশ্ৰাফুল হুছেইনে অবৈধ বাংলাদেশী ঘূৰাই পঠিওৱা বিষয়টো সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰশ্নৰ উত্তৰত কয়, যে ৰাজ্যৰ পৰা অবৈধ বাংলাদেশীক ঘূৰাই পঠাবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। অবৈধ নাগৰিকৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অবৈধ বিদেশী চিনাক্ত আৰু বিতাড়ণ কৰিবলৈ জিলা আয়ুক্তক ১৯৫০ চনৰ আইন অনুসৰি ক্ষমতা প্ৰদান কৰা হৈছে। ইপিনে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বৰদুৱাৰ চাহ বাগিচাক অন্তৰ্ভুক্ত কৰি প্ৰস্তাৱিত পলাশবাৰী ছেটেলাইট টাউনশ্বিপৰ বিষয়টো উত্থাপন কৰে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে গোৱালপাৰাৰ লক্ষীপুৰৰ উচ্ছেদ সন্দৰ্ভত কৰা প্ৰশ্নৰ মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ে। ৰাক্ষসিনী পাহাৰৰ ভূমি সন্দৰ্ভত বিধায়ক শ্বেৰমান আলীয়ে প্ৰশ্ন উত্থাপন কৰে। আজিৰ এই এদিনীয়া অধিৱেশনত জলজীৱন মিছন সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি অসম বিধানসভাৰ বিশেষ অধিৱেশনত ড০ ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড় বিমান বন্দৰটো নামকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰাত ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। ভাৰতৰত্ন বঁটাপ্ৰাপক সংগীতশিল্পী ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা বিমান বন্দৰটোত অধিক বিমান সেৱা সংযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে সাংসদ শ্ৰীগগৈয়ে আজি অসম বিধানসভাত দৰ্শকৰ আসনত উপস্থিত থাকে।

০০০০০

অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী কনাড পুৰকায়স্থ আৰু অগপৰ প্ৰাৰ্থী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই মনোনয়ন পত্ৰ দাখিল কৰে। দুয়োগৰাকী প্ৰাৰ্থীয়ে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী তথা বিজেপিৰ

জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, অগপৰ সভাপতি অতুল বৰা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে।

ইপিনে বিৰোধী দল কংগ্ৰেছে এই নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়োৱা নাই। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত থকা বুলি দলটোৱে প্ৰকাশ কৰিছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনেই শাসকীয় মিত্ৰজোঁটৰ দখলত আছে। বিৰোধীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব নিদিয়াৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট কৰিছে। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত উকলি যাব।

ooooo

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১১খন জিলাৰ ৭৪১খন গাঁৱৰ প্ৰায় ৩ লাখ লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যত বছৰটোৰ প্ৰথমটো বানত ২৩ জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত প্ৰায় ২৫ হাজাৰ লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। শ্ৰীভূমি জিলাত বান পৰিস্থিতিৰ কিছু উন্নতি হৈছে যদিও এতিয়াও বহুলোক বানৰ কবলত আছে। বিভিন্ন স্থানত বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদানৰ কাম অব্যাহত আছে। ইয়াৰ অংশ হিচাপে আজি জিলাখনৰ কনিশাইল পেটেল নগৰৰ ৮ নম্বৰ ৱাৰ্ডত সাহায্য-সামগ্ৰী বিতৰণ কৰা হৈছে।

ooooo

সাহিত্য সাধনা মঞ্চৰ বজালী জিলা সমিতিৰ উদ্যোগত আজি পাঠশালাৰ ১২৪ নম্বৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন কবিতা আবৃতি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত উপস্থিত থাকি মঞ্চৰ বজালী জিলাৰ সভানেত্ৰী ড০ চন্দনা দেৱীয়ে ছাত্ৰ-ছাত্ৰীসকলক পুথি অধ্যয়নৰ সৈতে বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীসকলে চৰ্চা কৰা উচিত বুলি মন্তব্য কৰে। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আদিও উপস্থিত থাকে।

ooooo

বিশ্বনাথ জিলাৰ বালিচাং পঞ্চায়তত আজি বিকশিত কৃষি সংকল্প অভিযানৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত হয়। কৃষি বিজ্ঞান কেন্দ্ৰ শোণিতপুৰৰ উদ্যোগত আৰু যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়, ভাৰতীয় কৃষি গৱেষণা পৰিষদসহ আন কেইবাটাও বিভাগৰ সহযোগত আয়োজন কৰা সভাখনত বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে সজাগ কৰা হয়। আধুনিক প্ৰযুক্তিৰ দ্বাৰা কৃষকসকল কেনেকৈ অধিক লাভান্বিত হ'ব পাৰিব, সেই বিষয়েও কৃষকসকলক অৱগত কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্তৰ লগতে বিশ্বনাথ কৃষি বিশ্ববিদ্যালয়ৰ ডীনসহ আন কেইবাজনো কৃষি বিষয়া উপস্থিত থাকে।

ooooo

সমাপ্ত